# সবিতা গোস্বামীৰ আত্মজীৱনী ‘মন গংগাৰ তীৰত’ ঃ সময়, সমাজ আৰু নাৰীৰ আত্মানুসন্ধানৰ ইতিহাস

*ড° জ্যোতিৰেখা হাজৰিকা*

**সাৰাংশ**

আত্মজীৱনী হ’ল সময়, জীৱন মন্থন কৰি লিখি উলিওৱা এক মনোজ্ঞ সাহিত্য-কৰ্ম। যি কোনো ব্যক্তিয়ে লিখা নিজ জীৱনৰ কাহিনীয়েই সাহিত্য হ’ব নোৱাৰে, যদিহে তাত সময়, সমাজ আৰু ব্যক্তিত্ব বাংময় হৈ নুঠে। এই ক্ষেত্ৰত বি বি চিৰ অসমৰ অনাতাঁৰ সাংবাদিক হিচাপে দীৰ্ঘদিন ধৰি কাৰ্যনিৰ্বাহ কৰাৰ লগতে ‘দ্য উইক’, ‘ব্লিট্‌জ’ আদি আলোচনীত কৰ্মৰত আৰু এ এফ পি, এ পি আদি আন্তঃৰাষ্ট্ৰীয় সংবাদ সংস্থাৰ লগত জড়িত আৰু ‘দ্য নৰ্থ-ইষ্ট টাইম্‌ছ’ আৰু ‘ৰাজধানী বাতৰি’ নামৰ সাপ্তাহিক অসমীয়া বাৰ্তালোচনীৰ মূল দায়িত্ব পালন কৰাবৰ্ষীয়ান সাংবাদিক সবিতা গোস্বামীৰ ‘মন গংগাৰ তীৰত’ এখন ব্যতিক্ৰমী আত্মজীৱনী। গ্ৰন্থ একোখনক উত্তীৰ্ণ তথা মহৎ কৰি তোলে তাৰ মাজত অন্তৰ্নিহিত হৈ থকা ৰচয়িতাৰ অন্তৰ্দৃষ্টিৰ গভীৰতা আৰু জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ সাৰমৰ্মক আত্মস্থ কৰি ল’ব পৰা শক্তিশালী ব্যক্তিত্বই—এই মন্তব্য সকলো প্ৰকাৰ গ্ৰন্থৰ ক্ষেত্ৰতেই প্ৰযোজ্য; আত্মজীৱনীৰ ক্ষেত্ৰত ই অধিক পৰিমাণে প্ৰযোজ্য। গোস্বামীৰ গ্ৰন্থখন পঢ়ি যাওঁতে এই মন্তব্যৰ সত্যতা সঘনে উপলব্ধি হয়।

**সূচক শব্দ ঃ** বাল্য বিবাহ, স্ত্ৰীশিক্ষা, আধুনিকতা

**‘মন গংগাৰ তীৰত’—সময় আৰু সমাজ জীৱনৰ বাস্তৱ প্ৰতিফলন**

‘দৈনিক জনমভূমি’ৰ সাপ্তাহিক ‘বসুন্ধৰা’ ৰ পাতত ছোৱা ছোৱাকৈ প্ৰকাশ পাই ২০০৯ চনত অন্বেষাৰ উদ্যোগত গ্ৰন্থাকাৰে প্ৰকাশ পোৱা বৰ্ষীয়ান সাংবাদিক সবিতা গোস্বামীৰ আত্মজীৱনী ‘মন গংগাৰ তীৰত’ক অসমীয়া ভাষাত প্ৰকাশ পোৱা এখন উৎকৃষ্ট আত্মজীৱনী হিচাপে অভিহিত কৰিব পাৰি। একোখন সাৰ্থক আত্মজীৱনীত মূৰ্ত হৈ উঠে তদানীন্তন সময় আৰু সমাজ জীৱন। সবিতা গোস্বামীয়েও তেওঁৰ আত্মজীৱনীত অতি বাস্তৱসন্মতভাৱে অসমৰ স্পৰ্শকাতৰ এছোৱা সময়ক জীৱন্ত ৰূপ দিবলৈ সক্ষম হৈছে আৰু ইয়াতেই আত্মজীৱনীখনে কৃতিত্ব দাবী কৰিব পাৰে।

আত্মজীৱনীখনত ১৯৬২ চনৰ পৰা প্ৰায় ২০০৫ চনলৈকে এই সময়ছোৱাত সংঘটিত বিভিন্ন সামাজিক আৰু ৰাজনৈতিক ঘটনাৱলী মূৰ্ত হৈ উঠিছে। বিশেষতঃ ১৯৬২ চনৰ চীনৰ ভাৰত আক্ৰমণৰ

বৰ্ণনা, চীনা সৈন্যই মেকমোহন লাইন অতিক্ৰম কৰাৰ লগে লগে বমডিলা আৰু তেজপুৰবাসীক এৰি থৈ ভাৰতীয় সৈন্যৰ পলায়ন, ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে 'My heart goes to the people of Assam' বুলি কোৱা শেষ বাণী, শেহত যুদ্ধ বিৰতিৰ চুক্তি আদি পৰিঘটনা, ১৯৬৮ চনত অসমত অনা-অসমীয়াৰ প্ৰব্ৰজনৰ সমস্যা, দেশৰ জৰুৰীকালীন অৱস্থা, কলিকতাৰ নক্সাল আন্দোলন, ১৯৭৮ চনৰপৰা অসমত বিভিন্ন সংগঠনৰ জন্ম যেনে—সামাজিক-সাংস্কৃতিক মঞ্চ 'অসম পৰিষদ', 'সদৌ অসম ছাত্ৰ সন্থা' আৰু 'অসম গণ সংগ্ৰাম পৰিষদ'ৰ জন্ম আৰু ১৯৭৮ চনৰ জুলাই মাহৰ পৰা বিদেশী নাগৰিক বহিষ্কাৰ আন্দোলনৰ সূচনা, বিদেশী নাগৰিক চিনাক্তকৰণৰ সময়সীমা লৈ হোৱা বিতৰ্ক, অসমৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠানত আশী শতাংশ ভূমিপুত্ৰৰ নিযুক্তিৰ দাবীত সত্যাগ্ৰহ, পিকেটিং,অসম আন্দোলনৰ পশ্চাদপটত ১৯৭৯ চনৰ ৬ এপ্ৰিল তাৰিখে স্বাধীন অসম গঠনাৰ্থে সশস্ত্ৰ সংগঠন 'আলফা'ৰ জন্ম, গণ হত্যা, ছাত্ৰ আন্দোলন, স্কুল-কলেজ বন্ধ হোৱাৰ ফলস্বৰূপে হোৱা শৈক্ষিক দিশত বৃহত্তৰ ক্ষতি, উত্তৰ-পূৰ্বাঞ্চলৰ বাকী ৰাজ্যকেইখনৰো ছাত্ৰশক্তি একত্ৰিত হৈ 'নৰ্থ-ইষ্টাৰ্ণ ৰিজিয়ন ষ্টুডেণ্টছ্ ইউনিয়ন' (নাৰছু) গঠন, ক্ষোভত জন্ম হোৱা অসমৰ বিভিন্ন জনগোষ্ঠীয় সংগঠন, লাচিত সেনাৰ জন্ম, উত্তৰ-পূৰ্বাঞ্চলত অন্যান্য উগ্ৰবাদী সশস্ত্ৰ সংগঠনৰ জন্ম, অসমৰ বিশৃংখল ৰাজনৈতিক পৰিৱেশ, অসমত কংগ্ৰেছ চৰকাৰৰ উত্থান-পতন, ১৯৮৩ চনৰ অসমত অনুষ্ঠিত হোৱা ৰক্তাক্ত নিৰ্বাচন, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ সন্দৰ্ভত হোৱা ব্যাপক খেলিমেলি, ছাত্ৰ সন্থাৰ অহিংস আন্দোলনৰ আঁৰত হিংসাৰ চেকা, 'আলফা দমনৰ নামত ভাৰতীয় সেনা অভিযান আৰু আলফাৰ আত্মসমৰ্পণ, অসম আন্দোলনৰ ফলশ্ৰুতিত 'অসম গণ পৰিষদ'ৰ জন্ম, অগপ চৰকাৰ গঠন আৰু পতন, পুনৰগঠন আদি ঘটনাৰ নিখুঁত বৰ্ণনা এই আত্মজীৱনীখনত বিবৃত হেছে। বিশেষকৈ আত্মজীৱনীখনত মূৰ্ত হৈ উঠা অসমৰ ৰাজনৈতিক অস্থিৰতাৰ চিত্ৰ খন অসমৰ ৰাজনৈতিক ইতিহাস অধ্যয়নত বিশেষ সহায়ক হ'ব। সবিতা গোস্বামীৰ ভাষাত ঃ

"১৯৭৯ চনৰ ডিচেম্বৰৰ ১১ তাৰিখৰ পৰা ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহৰ ২৬ তাৰিখলৈকে এৰাধৰাকৈ তিনিবাৰ অসম ৰাষ্ট্ৰপতিৰ শাসনৰ অধীনত আছিল। প্ৰথমবাৰ যোগেন্দ্ৰনাথ হাজৰিকাৰ চৰকাৰ বৰ্খাস্ত কৰি ১৯৭৯ চনৰ ডিচেম্বৰ মাহৰ ১১ তাৰিখৰপৰা ১৯৮০ চনৰ ৬ ডিচেম্বৰত আনোৱাৰা টাইমূৰে চৰকাৰ গঠন কৰালৈকে। পুনৰ কেশৱ গগৈয়ে ১৯৮২ চনৰ জানুৱাৰী মাহৰ ১৩ তাৰিখৰপৰা মাৰ্চ মাহৰ ১৯ তাৰিখলৈকে চৰকাৰ চলালে। ১৯৮২ চনৰ মাৰ্চৰপৰা ১৯৮৩ চনৰ ফেব্ৰুৱাৰীৰ ২৬ তাৰিখলৈকে ৰাষ্ট্ৰপতিৰ শাসন আছিল।"[১]

নেলীৰ হত্যাকাণ্ড, আশীৰ দশকৰ শেহৰ ফালে কোক্ৰাঝাৰ অঞ্চল আৰু তাৰ আশে পাশে বসবাস কৰা বড়ো আৰু অবড়ো, মুছলমান আৰু আদিবাসীৰ মাজত সঘনাই হোৱা ভাতৃঘাতী সংঘৰ্ষক 'মাটি আৰু ৰাজনীতিৰ খেল' বুলি ক'বলৈ কুণ্ঠাবোধ নকৰা সবিতা গোস্বামীয়ে ছাত্ৰসন্থাৰ সমসাময়িকভাৱে উত্তৰ-পূৰ্বাঞ্চলত গঢ় লৈ উঠা বিভিন্ন ছাত্ৰ সংগঠন আৰু উগ্ৰপন্থী সংগঠনৰ এখন ছবিও সুস্পষ্টভাৱে দাঙি ধৰিছে। বিশেষকৈ উগ্ৰপন্থী সংগঠনবোৰৰ জন্মৰ নেপথ্য-কথা আত্মজীৱনীকাৰে এইদৰে লিখিছে ঃ

"উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰত্যেকটো উগ্ৰপন্থী সংগঠনেই নিজ ৰাজ্যবোৰ ভাৰতৰাষ্ট্ৰৰ লগত সংযোজনৰ বিৰোধিতাৰ মাজেৰে জন্ম হোৱা। প্ৰত্যেক ৰাজ্যৰে ভূমিপুত্ৰৰ সৰ্বস্ব হেৰুওৱাৰ বেদনাত সংগঠনসমূহে শিপা মেলে—ৰাজনৈতিক দলে তাত সাৰ-পানী দিয়ে।"[২]



অৱশেষত ৰাজীৱ গান্ধী আৰু ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ মাজত ঐতিহাসিক 'অসম চুক্তি' স্বাক্ষৰিত হ'ল। 'অৰাজনৈতিক নেতা' ৰাজনৈতিক আকাংক্ষা লৈ ৰাইজৰ মাজত থিয় হ'ল। জন্ম হ'ল আন এটা ৰাজনৈতিক দল—অসম গণ পৰিষদ'। অসম আন্দোলনৰ প্ৰতি সহানুভূতি আৰু সমৰ্থন থকা সত্বেও পিছলৈ মোহভংগ হৈ এই অসম চুক্তিক 'উকমুকৰ পোৱালি' (মনেৰে কল্পনা কৰি লোৱা বস্তু) বুলি ক'বলৈ কুণ্ঠাবোধ নকৰা গোস্বামীয়ে মুকলিকৈ 'অসমবাণী' কাকতত লিখিলে ঃ

"... অসম চুক্তিয়ে আৱেগপ্ৰৱণ অসমীয়া জাতিৰ কোনো উন্নতি-উৎকৰ্ষ নাসাধিলে। বৰঞ্চ জাতিটোৰ মেৰুদণ্ড ভাঙি অসমীয়া জনজীৱন থানবান কৰিলে। অসম আন্দোলনে জন্ম দিয়া 'ফ্ৰাংকেন্‌ষ্টাইন'-এ অসমীয়া লোকক অসমতে নিৰাপত্তাহীন কৰি তুলিলে।"[৩]

প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বাধীন নতুন চৰকাৰ গঠন, যুৱ নেতাৰ চিন্তাৰ অপৰিপক্কতাৰ ফলত অগপ চৰকাৰৰ কক্ষচ্যুতি, কংগ্ৰেছ চৰকাৰৰ পুনৰ উত্থান, অগপৰ পুনৰ শাসনভাৰ দখল আদি পৰিঘটনাৰ পুংখানুপুংখ বৰ্ণনা আত্মজীৱনীখনত বৰ্ণিত হৈছে। এগৰাকী নিৰ্ভীক সাংবাদিক হৈ অগপ চৰকাৰৰ বিষয়ে তেওঁ আগ বঢ়োৱা নিৰ্মোহ বিশ্লেষণ মন কৰিবলগীয়া ঃ

"অনভিজ্ঞ যুৱ-চৰকাৰ বুলি প্ৰথম দুটা বছৰ ৰাইজে অগপ চৰকাৰৰ দোষ-দুৰ্ব্যৱহাৰ-মইমতালি আদি ক্ষমা কৰি দিছিল। কিন্তু দলীয় দম্ভালি অগপৰ সমৰ্থকসকলৰো সহ্যৰ অতীত হ'ল। লাহে লাহে। ৰাইজৰ মোহভংগ ঘটিল। কংগ্ৰেছ আটাইৰে বাবে 'চিনাকি অশুভ শক্তি' বুলিয়েই পৰিচিত আছিল; কিন্তু অগপ 'অচিনাকি অশুভ শক্তি' বুলি প্ৰমাণিত হ'ল। ক্ৰমান্বয়ে কিছুমান অসৎ কামত অগপই কংগ্ৰেছকো চেৰ পেলালে। ৰাজ্যখনৰ উন্নয়নৰ অৰ্থে তেওঁলোকে লেশমানো কাম নকৰিলে। ..."[৪]

ঐতিহাসিক অসম চুক্তি যে আজিও কেৱল ভেঁকো-ভাওনাহে হৈ ৰ'ল, সেই কথা আত্মজীৱনীখনত স্পষ্টৰূপত প্ৰকাশ পাইছে। ভাৰত-বাংলা-অসম সীমান্তৰ উন্মুক্ত অৱস্থাৰ কথা তেওঁ এইদৰে লিখিছে ঃ "...আমি কমাণ্ডেণ্টৰ গাড়ীৰে গৈ ভাৰত-বাংলা-অসম সীমান্তৰ পথ অঞ্চল নিৰীক্ষণ কৰি সমীক্ষা কৰিছিলোঁ। মোৰ মনত আছে সেইদিনা এখন বিয়া আছিল। কইনা বাংলাদেশৰ আৰু দৰা অসমৰ। কুলাত হালধি, তেল, শাৰী আদি 'আশীৰ্বাদ'ৰ সৰঞ্জাম লৈ অসমৰ দৰাৰ সম্বন্ধীয়া মানুহ বাংলাদেশৰ কইনা-ঘৰলৈ খোজ কাঢ়ি পাৰ হৈ গৈছিল।... ।"[৫] উল্লেখ্য যে এই সীমান্ত আজিও উন্মুক্তপ্ৰায় হৈয়েই ৰ'ল।

এনেদৰে আত্মজীৱনীখনত বিংশ শতিকাৰ ষাঠীৰ দশকৰ পৰা শতিকাৰ শেষ দশকলৈকে প্ৰায় চাৰিটা দশকৰ অসমৰ ৰাজনৈতিক, সামাজিক জীৱনৰ উত্থান-পতনৰ চিত্ৰ প্ৰতিভাত হৈ উঠিছে।

**'মন গংগাৰ তীৰত'—নাৰীৰ আত্মানুসন্ধানৰ ইতিহাস**

বৰ্তমান জীৱনৰ বিয়লি বেলাত ভৰি দিয়া সবিতা গোস্বামী এক আশ্চৰ্যকৰভাৱে বৈচিত্ৰ্যপূৰ্ণ জীৱন আৰু এক ঈৰ্ষণীয়ভাৱে শক্তিশালী ব্যক্তিত্বৰ গৰাকী। গ্ৰন্থখনৰ মাজেৰে চিত্ৰিত হৈ উঠা তেওঁৰ কৰ্মময় আৰু সংঘাতময় জীৱনটোক কেৱল প্ৰচণ্ড ধুমুহাৰ মাজেদি কোনোবা অজান ঠাইলৈ কৰা এক নিঃসংগ যাত্ৰাৰ সৈতেহে তুলনা কৰিব পাৰি। বিবাহৰ সময়ছোৱালৈকে আমি তেওঁক দেখা পাওঁ জীৱনৰ বৰ এটা আওভাও

নোপোৱা আলসুৱা অথচ তীব্ৰ আত্মসন্মানবোধসম্পন্ন এজনী ছোৱালী হিচাপে—যাৰ দুচকুত পতিৰ সৈতে তেওঁৰ বিবাহে এক ৰহস্যময় অছেদ্য বান্ধোন হৈ ধৰা দিছিল। ঠিক এইখিনি সময়তে তেওঁৰ জীৱনত বিপৰ্যয়ৰ ক'লীয়া ডাৱৰে দেখা দিয়ে—এই যে এবাৰ দেখা দিলে, সেই কলীয়া ডাৱৰৰ ওপৰত সময়ে চামে চামে অধিক ক'লীয়া ডাৱৰ জমা কৰিলেহি আৰু তেওঁ গোটেই জীৱনজুৰি তিতি-বুৰি জুৰুলি-জুপুৰি হৈ থাকিল নিৰৱচ্ছিন্নভাৱে। মাজে মাজে এছমকা ৰ'দ আহি আচম্বিতে জীৱনটো পোহৰাই তোলে ; কিন্তু পিছমুহূৰ্তত হেৰাই যায়।

সবিতা গোস্বামীৰ জীৱনলৈ অহা বিপৰ্যয়বিলাকৰ মূলতে দুটা দিশ দেখা যায়—প্ৰথম, তেওঁৰ পতিৰ (আৰু পতিৰ পৰিয়ালৰ) ফালৰপৰা অহা উৎপীড়ন আৰু দুৰ্যোগ; দ্বিতীয়, তেওঁৰ সাংবাদিকতা বৃত্তিৰ ফালৰপৰা অহা অনিশ্চয়তা, ভাবুকি আৰু বিপৰ্যয়।

**পাৰিবাৰিক জীৱন আৰু ভূলুণ্ঠিত নাৰীৰ মৰ্যাদা**

এগৰাকী নাৰীৰ আত্মানুসন্ধানৰ বিশাল অংশ আৱৰি ৰাখে 'বিবাহ' নামৰ সামজিক স্বীকৃতিয়ে। অথচ এই স্বীকৃতি কেতিয়াবা কোনোবা নাৰীৰ বাবে হৈ পৰে অভিশাপস্বৰূপ। ভালপোৱাৰ পৱিত্ৰ বন্ধনেৰে বিবাহ বন্ধনত বান্ধ খোৱা সবিতাৰ জীৱনলৈ বিবাহৰ পিছতে নামি আহিছিল উপৰ্যুপৰি অথন্তৰ। আত্মজীৱনীখনৰ ক'তো এবাৰো নাম উল্লেখ নকৰা স্বামীৰ পৰা পোৱা শোষণ-নিৰ্যাতন, স্বামীৰ পৰিয়ালৰপৰা পোৱা লাঞ্ছনাই তেওঁক শিকাইছিল হলাহল পান কৰি নীলকণ্ঠী হোৱাৰ মন্ত্ৰ। এগৰাকী নাৰীৰ বাবে বিবাহিত জীৱনটোৰ পৰা বিচাৰিব পৰা প্ৰধান উপকৰণ হ'ল স্বামীৰ ভালপোৱা। কিন্তু এগৰাকী উচ্চ শিক্ষিতা নাৰীৰ সমগ্ৰ অধিকাৰ, স্বাভিমান পতিৰ দ্বাৰা বাৰম্বাৰ ভূলুণ্ঠিত হোৱাৰ কথা অকপটে লিখিছে সবিতা গোস্বামীয়ে। বিবাহিত জীৱনত তেওঁ পালেই বা কি ? বিবাহোত্তৰ তেওঁৰ মনটোৰ বিষয়ে তেওঁ নিজেই এইদৰে লিখিছে ঃ "মোৰ মনটোৱে বন্দী বিহংগৰ দৰে ছাটি-ফুটি কৰি থাকে। মাজে-মাজে খুব কান্দো। সিপাৰৰ পোহৰ নেদেখা সুৰংগ এটাৰে যেন অন্তহীন অকলশৰীয়া যাত্ৰা আৰম্ভ কৰিছোঁ।"[৬] ভাবী পতিৰ বন্ধুমহলৰ আড্ডাত বিবাহপূৰ্বে 'এগৰাকী অভাৱ স্মাৰ্ট ছোৱালী'ৰূপে আলোচিত হোৱা সবিতাক বিবাহ নামৰ সম্পৰ্কৰ নামতে নাকী লগাই শাসন-শোষণ কৰিবলৈ যত্ন কৰাৰ ভয়াৱহ ঘটনা-পৰিঘটনাৰ বৰ্ণনা আত্মজীৱনীখনত স্পষ্টভাৱে প্ৰকাশ পাইছে। বি এ পৰীক্ষা দিয়াৰ আগতেই বিবাহপাশত আবদ্ধ হোৱা সবিতাৰ ফুলশয্যাৰ পিছদিনাৰ পৰাই আৰম্ভ হ'ল এক অবাঞ্ছিত জীৱন। এগৰাকী নাৰী নাৰীৰ দ্বাৰাই হ'ল নিপীড়িতা। তেওঁৰ ভাষাত,

> "...পিছদিনাৰ পৰা গতানুগতিক জীৱন। কইনা চোৱা মানুহৰ অহা-যোৱা। আটাইকে তললৈ মূৰ কৰি কপাল ঢাকি ওৰণি লৈ (শাহুআইৰ নিৰ্দেশ মতে) তামোল-চাহ দিয়া, ইটো-সিটো ভাল নোপোৱা মন্তব্য শুনা আৰু নিশা কোঠালৈ যোৱা। মোৰ গৃহস্থৰ অঙহী-বঙহীৰ ঘৰলৈ গৃহস্থৰ বৰ বায়েকে শুদা ভৰিৰে খোজ কঢ়াই উজান বজাৰৰ মাজেদি মোক লৈ যোৱাত বৰ বেয়া পাইছিলোঁ মই। গৃহস্থৰ লগত ওলাই গ'লেও চেণ্ডেলযোৰ গে'টৰ মুখতহে পিন্ধিব পাৰিছিলোঁ। উভতি আহোঁতেও গে'টৰ পৰা হাতেৰে আনিব লাগে।..."[৭]

১৯৬২ চনৰ ২৩ নৱেম্বৰ তাৰিখে দাম্পত্য জীৱনৰ পাতনি মেলা সবিতা গোস্বামীয়ে বিবাহৰ পিছতে হেৰুৱাই পেলাইছিল নাৰী হিচাপে পাবলগীয়া আত্মমৰ্যাদা আৰু গৰিমা। পতিৰ ঘৰৰপৰা পোৱা



দুঃব্যৱহাৰৰ লগতে প্ৰেমিক পতিৰপৰা পোৱা ব্যৱহাৰে তচ্‌নচ্ কৰি পেলাইছিল সবিতাৰ বিবাহিত জীৱনৰ আলফুলীয়া সপোন। বিবাহিত জীৱনত সন্মুখীন হোৱা বিপদসংকুল পৰিঘটনাৰ দুটিমান লোমহৰ্ষক বৰ্ণনা ঃ

> "১৯৬৪ চনৰ কথা। কাৰোবাৰ পত্নীয়ে জীৱনত এনে অভাৱনীয় পৰিস্থিৰ সন্মুখীন হৈছে নে নাই নাজানো। কিন্তু সেই পৰিৱেশ আৰু ঘটনাৰ বিষয়ে মনত পৰিল এতিয়াও মই বাকৰুদ্ধ হৈ পৰোঁ। সেইদিনা আছিল দুৰ্গা পূজাৰ অষ্টমী। মোৰ পতিয়ে মোৰ কোলাৰপৰা আমাৰ সন্তানটোক নি কেঁচুৱা-ৰখীয়া ছোৱালীজনীৰ হাতত দি মোক হাতত ধৰি শোৱনি-কোঠালৈ লৈ গ'ল। মই হতভম্ব হৈছিলোঁ। কোঠাটোলৈ নি তেওঁ মোক ক'লে, 'তুমি ভয় নাখাবা।—তুমি মোৰ গোসাঁনী। অষ্টমীৰ দিনা তোমাক মই পূজা কৰিম।' তাৰ পাছত মোক চকী এখনত বহুৱাই দিলে। কাষৰ টেবুলখনত জ্বলি থকা এগছ চাকি, ধূপদানিত ধূপ আৰু থাল এখনত সেন্দূৰ আৰু ফুল থোৱা আছিল। মই ভীষণ ভয় খাইছিলোঁ। তাৰপৰা ওলাই অহাৰ সাহস নাছিল। মোৰ গৃহস্থক বাধা দিয়াৰ ফল কিমান ভয়ানক আৰু অৱৰ্ণনীয় হ'ব পাৰে অইনে অনুমান কৰিব নোৱাৰে। তেনে অভিজ্ঞতা ইতিমধ্যেই মোৰ হৈছিল। মোৰ দুচকুৰে অবিৰাম চকুলো ওলাবলৈ ধৰিলে। গৃহস্থই খঙেৰে ক'লে, 'চকুপানী মচা।' চকুলো মচি লোৱাৰ আগতেই থালখন দাঙি লৈ তেওঁ আৰতি আৰম্ভ কৰিলে। মই উশাহটো বুকুৰ ভিতৰত ধৰি ৰাখিছিলোঁ, যেন বুকুখন ফাটি এতিয়াই ওলাই আহিব। ...১৯৯২ চনলৈকে গৃহস্থই দুৰ্গা পূজাৰ অষ্টমীৰ দিনা মোৰ বুকুৰ ভিতৰখন কুৰুৰি কুৰুকি খান্দিছিল।"[৮]

> " ... এদিন তেওঁ অতিৰিক্ত মদ পান কৰি নিশা এক বজাৰ পিছত ঘৰলৈ আহোঁতে মই কাজিয়া কৰিছিলোঁ। মোক সৈমান কৰিবলৈ তেওঁ দা এখন উলিয়াই বাওঁ হাতৰ তৰ্জনী আঙুলিটো ঘপিয়াই কাটি পেলাইছিল। কটা আঙুলিটোৰ পৰা পিচকাৰি মৰাৰ দৰে ওলোৱা তেজে মোক বিতত কৰি তুলিছিল। তেওঁৰ কাষলৈ যাবলৈকো সাহস গোটাব পৰা নাছিলোঁ। ঘৰত এটা দুৰ্ঘটনা হৈছে আৰু বেগতে আহিব লাগে বুলি গুৱাহাটীতে থকা মোৰ দাদাক ফোন কৰি মাতি আনিছিলোঁ। দাদা আগি গৃহস্থক তেতিয়া পাণবজাৰত থকা হাস্পতাললৈ লৈ গৈছিল। তেতিয়াৰ পৰাই মই গৃহস্থক দ্বিতীয়বাৰ যিকোনো কথা সুধিবলৈ ভয় কৰিছিলোঁ।"[৯]

এগৰাকী সহজ-সৰল ছোৱালী বিবাহ বন্ধনৰ নামত কেনেকৈ প্ৰেমিক পতিৰ হাততে দিশহাৰা হৈ পৰিব পাৰে সবিতা গোস্বামীৰ আত্মজীৱনীৰ উল্লিখিত কথাংশই প্ৰমাণ। আত্মজীৱনীখনৰ এঠাইত তেওঁ লিখিছে—"আচৰিত লাগে ভাবিলে, মানৱ-জীৱনৰ আটাইতকৈ গভীৰ সম্বন্ধটো কেনেকৈ ইমান জটিল আৰু প্ৰতিহিংসামূলক হ'ব পাৰে।" [১০] এই বাক্যটোৰ প্ৰতিটো শব্দতে তেওঁৰ পতিৰ সৈতে যুগ্ম জীৱনটোৰ সাৰমৰ্ম অন্তৰ্নিহিত হৈ আছে। সামগ্ৰিকভাৱে ক'বলৈ গ'লে তেওঁ আৰু পতিৰ মাজৰ দ্বন্দ্ব-সংঘাতবোৰ কোনো ক'লা-বগা বিভাজন ঠুকি নোপোৱা গভীৰতম আনুভূতিক দ্বন্দ্ব। প্ৰতিভাসম্পন্ন ব্যক্তিত্বশালী হোৱা সত্ত্বেও

তেওঁৰ পতি আচৰিতধৰণেৰে খামখেয়ালি আৰু ল'ৰামতীয়া আছিল, যাৰ বাবে নিজৰ জীৱনৰ লগত পত্নীৰ জীৱনলৈ বাৰম্বাৰ নামি আহিছিল দুৰ্যোগ আৰু দুয়োৰে মাজলৈ নামি আহিছিল বাৰে বাৰে মীমাংসিত হৈও অমীমাংসিত হৈ ৰোৱা দ্বন্দ্ব। তেওঁৰ (সবিতা গোস্বামীৰ) পতিৰ চাৰিত্ৰিক অস্থিৰতাৰ প্ৰমাণ এটা তথ্যৰেই দিব পাৰি— বিভিন্ন সৰু-বৰ অজুহাতত সৰ্বমুঠ ঊনচল্লিছবাৰ চাকৰি সলাইছিল। তেওঁ নিজৰ সাংবাদিকতা বৃত্তিৰে এটা সময়ত আৰ্থিকভাৱে নিজক চম্ভালিব পৰা নোহোৱালৈকে পতিৰ এই প্ৰকৃতিয়ে তেওঁক কিদৰে অহৰহ যন্ত্ৰণাৰ মাজত ৰাখিছিল আৰু নিজে স্বাৱলম্বী হৈ উঠাৰ পাছতো কিদৰে এই প্ৰকৃতিয়ে দুই কন্যা সন্তানসহ পৰিয়ালটোৰ মাজত বিপৰ্যয়ৰ সূচনা কৰিছিল, সেয়া আত্মজীৱনীখনত লেখিকাই মুকলিকৈ উল্লেখ কৰিছে। তদুপৰি অতিমাত্ৰা মদ্যপান আৰু মদ্যপানজনিত উদ্ভগুালি পতিৰ চৰিত্ৰৰ এৰাব নোৱৰা অংগ আছিল; কিন্তু তেওঁৰ পতিৰ মাজত সহানুভৱতাও আছিল যি উদাৰচিত্তে নিজলৈ চিন্তা নকৰাকৈ আনক সহায় কৰিছিল। —গোস্বামীৰ জীৱনৰ বৈচিত্ৰ্যপূৰ্ণতাৰ এফাল অধিকাৰ কৰি আছে তেওঁৰ পতিয়ে; বাৰেবাৰে অতিষ্ঠ কৰি তুলিও পতিয়ে তেওঁক প্ৰকৃততে সমৃদ্ধ কৰি তুলিছিল গভীৰ জীৱনবোধেৰে। হাড়ৰ কেন্সাৰত ভূগি মৃত্যুৰ অৱশ্যম্ভাৱী আগমনক সমুখত লৈ থকা পতিৰ সৈতে তেওঁ জীৱনৰ শেষ যুগ্ম নিশাটো যেতিয়া কটাইছিল, পাৰ হৈ অহা সকলো ধুমুহাৰ কথা মনত লৈও দুয়ো হ'ব পাৰিছিল অন্তৰেৰে একাত্ম—"আমাৰ যুগ্ম জীৱনৰ শেষ নিশাটোৰ অতীতৰ দুখ, ক্ষোভ, ক্লেশ, দ্বেষ সকলো ম্লান কৰি তোলালে। আমাৰ জীৱন যেন পূৰ্ণ হৈছিল এনিশাত।"[১১]

সংঘাতপূৰ্ণ জীৱনটোৰপৰা গোস্বামীয়ে লাভ কৰিলে সুগভীৰ এক ট্ৰেজিক জীৱনবোধ। বৃদ্ধাৱস্থাৰ সমাহিত মনেৰে তেওঁ আজি উভতি চায় জীৱনটোৰ ইমূৰৰপৰা সিমূৰলৈ—

> "জীৱন-গংগাৰ তীৰত ৰৈ লিখি যাওঁতে জীৱনৰ এৰি অহা দিনবোৰত পুনৰ জী উঠোঁ। কেতিয়াবা ঘাত-প্ৰতিঘাতত, কেতিয়াবা অনাদৰ-অৱমাননাত, কেতিয়াবা সংগ্ৰাম-অভিজ্ঞতাত, কেতিয়াবা উৎকণ্ঠা-অনিশ্চয়তাত, কেতিয়াবা বিষাদ আৰু হতাশাত, কেতিয়াবা আনন্দৰ সপোনত, কেতিয়াবা শোচনীয় মুহূৰ্তৰ ব্যাকুলতাত।"[১২]—ইয়াৰ প্ৰতিটো শব্দৰ আঁৰতে লুকাই আছে তেওঁৰ জীৱনৰ কঠোৰ-মধুৰ বাস্তৱতা; কিন্তু সেই সকলোৰে অন্তত তেওঁ অনুভৱ কৰিছে যে তেওঁ এক পূৰ্ণ নাৰী। গ্ৰন্থখনৰ সামৰণিৰ বাক্যটোত তেওঁ লিখিছে—"মোৰ আজি কোনো ক্ষোভ নাই!"[১৩]

দুজনী কন্যাৰ মাতৃ হৈয়ো জীৱনৰ প্ৰতি মোহ-মায়াহীন হৈ এবাৰ আত্মহত্যাৰ প্ৰয়াস কৰি ৪৫ টা নিদ্ৰাৰ বড়ি খাই দুদিন অচেতন হৈ থকা সবিতাই পিছলৈ বুজি পাইছিল মৃত্যুতকৈ জীৱন মহান, যুঁজি যাব পৰাটোতেই জীৱনৰ প্ৰকৃত সফলতা। এগৰাকী নাৰী হিচাপে নহয়, এগৰাকী ব্যক্তি হিচাপে সেয়েহে তেওঁ বাৰে বাৰে নিজকে ভাঙি ভাঙি গঢ়িছিল আৰু ইয়াতেই লুকাই আছিল তেওঁৰ জীৱনৰ প্ৰকৃত সফলতা। দুখ-যন্ত্ৰণাৰ মাজেৰেই সবিতা গোস্বামীয়ে আত্মানুসন্ধান কৰিছিল আৰু অৱশেষত তেওঁ সফলতা লভিবলৈ সক্ষম হৈছিল। পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ আত্মমৰ্যাদা সুপ্ৰতিষ্ঠিত কৰিবলৈ অহৰহ অহোপুৰুষাৰ্থ কৰিছিল তেওঁ। "নাৰী শূদ্ৰ। ব্ৰাহ্মণৰ ঘৰত জন্ম ল'লৈও শূদ্ৰ"[১৪] বুলি শৈশৱতে পুৰোহিতে কোৱা কথাৰ তীব্ৰ প্ৰতিবাদ



কৰি সবিতাই উচ্চ স্বৰত উচ্চাৰণ কৰিছিল গায়ত্ৰী মন্ত্ৰ। কিয়নো পুৰোহিতৰ কথাৰ বিপৰীতে তেওঁৰ পিতৃৰ ভাষ্য আছিল ঃ "জ্ঞানৰ অধিকাৰ সকলো মানুহৰে আছে। পুৰুষ-নাৰীৰো সমান অধিকাৰ আছে।"[১৫]

এইখিনিতে গ্ৰন্থখনৰ 'মোৰ ক'বলগীয়া'ত জীৱন পথত গোস্বামীয়ে লগ পোৱা বিভিন্নজনৰ বিষয়ে লিখা এযাৰ কথা উপলব্ধি কৰাটো প্ৰয়োজনীয়—"কোনোবাই যদি উৎসাহ, উদগনি দিছে; অইন কোনোবাই প্ৰতিবন্ধকতা সৃষ্টিৰ চেষ্টা কৰিছে। মানৱ-মনৰ এনে অনুভূতিয়ে মোক আগ বাঢ়ি যাবলৈ দৃঢ়প্ৰতিজ্ঞ কৰি তুলিছে।"[১৬]—বিভিন্ন ব্যক্তিয়ে জীৱনৰ বিভিন্ন সময়ত তেওঁৰ প্ৰতি কৰা অবিচাৰ-অন্যায়, সেই ব্যক্তিসকলৰ চাৰিত্ৰিক সীমাবদ্ধতাই তেওঁৰ জীৱনটোক বিপৰ্যস্ত কৰিলেও তেওঁৰ মনটোক ভাঙিব পৰা নাছিল, আনকি তেওঁক সংশ্লিষ্ট ব্যক্তিসকলৰ প্ৰতি প্ৰতিশোধপৰায়ণো কৰি তোলা নাছিল; বৰং কৰি তুলিছিল সকলো অতিক্ৰম কৰাৰ সাহসেৰে দৃঢ়প্ৰতিজ্ঞ। এই চাৰিত্ৰিক দৃঢ়তাৰেই তেওঁ জীৱনৰ পাৰিবাৰিক আৰু বৃত্তিগত, দুয়োধৰণৰ বিপৰ্যয়ক অতিক্ৰম কৰিব পাৰিছিল।

সবিতা গোস্বামীৰ জীৱন-যাত্ৰাত নৈসৰ্গিক প্ৰকৃতিয়ে সঞ্জীৱনীসুলভ ভূমিকা পালন কৰি আহিছে। সংগ্ৰামী জীৱন-পথত তেওঁ যেতিয়াই নিৰাশ হৈ ভাগৰি পৰিছে, প্ৰকৃতিৰ সন্মোহনী সৌন্দৰ্যই সেই মুহূৰ্তত তেওঁৰ বুকুৰপৰা ৰহস্যময়ভাৱে কিছু সময়ৰবাবে হ'লেও সমস্ত দুখ নাইকিয়া কৰি জীৱন-বাসনাৰে তেওঁক ওপচাই পেলাইছে, যেতিয়াই সমুখত আন্ধাৰ দেখি অসহ্য বেদনাত ছাটিফুটি কৰিছে, সেই মুহূৰ্তত প্ৰকৃতিয়ে তেওঁৰ মাজত জগাই তুলিছে সকলো বাধা-বিঘিনি অতিক্ৰমৰ সবল উৎসাহ। স্বাভাৱিকতেই নৈসৰ্গিক প্ৰকৃতিৰ কাব্যিক বৰ্ণনাই গ্ৰন্থখনৰ এক বৃহৎ অংশ অধিকাৰ কৰি আছে—গ্ৰন্থখনৰ সাহিত্যিক মান উন্নীতকৰণত ই অৰিহণা যোগাইছে।

**অসম আন্দোলন আৰু নাৰীৰ ভূমিকা**

জনগণৰ আন্দোলন হিচাপে অভিহিত হোৱা অসম আন্দোলন অৰ্থাৎ বিদেশী বহিষ্কাৰ আন্দোলনত অসমৰ নাৰীসমাজৰ বৃহৎ অংশই মুখ্য ভাগ লৈছিল যদিও তেওঁলোকৰ ভূমিকা প্ৰায় উপেক্ষিত হৈ ৰোৱাৰ কথা আত্মজীৱনীখনত পোৱা যায়। এই বিষয়ে সবিতা গোস্বামীৰ স্পষ্ট অভিমত ঃ

> "অসম আন্দোলনৰ নেতৃত্বৰ দুৰ্বলতাৰ বাবে জনগণৰ আন্দোলনলৈ ৰূপান্তৰিত হ'ব নোৱাৰিলে আৰু মহিলাই অংশগ্ৰহণ কৰি সমৰ্থকৰ সংখ্যা বঢ়াইছিল যদিও কোনো গুণাত্মক উৎকৰ্ষ সাধন কৰাত ব্যৰ্থ হ'ল। আন্দোলনৰ নেতৃত্ব বা পিছত অগপ হৈ চৰকাৰ গঠন কৰোতেও তাত মহিলাৰ প্ৰতিনিধিত্ব আছিল প্ৰাধান্যহীন আৰু নগণ্য। মহিলা মাথোঁ শ্ল'গান দিয়া সমৰ্থক হৈ ৰ'ল।"[১৭]

**সাংবাদিকতা, অৰ্থনৈতিক সুৰক্ষা আৰু নাৰীৰ আত্মমৰ্যাদা**

এগৰাকী নাৰীৰ আত্মমৰ্যাদা নিৰ্ভৰ কৰাৰ সঁচাৰকাঠী হ'ল অৰ্থনৈতিক সুৰক্ষা। আৰ্থিকভাৱে কাৰো ওচৰত হাত নপতাকৈ নিজৰ ভৰিৰ ওপৰত নিজে থিয় হোৱাটোত লুকাই থাকে স্বাধীন সত্তা। বিবাহিত জীৱনত বাৰম্বাৰ ঠেকা খাই সবিতা গোস্বামীয়ে নিজক শিলৰূপে গঢ় দিবলৈ আগ বাঢ়িছিল। বিবাহৰ পাছত অতি কষ্টেৰে স্নাতক হোৱাৰ পাছত দুজনী ছোৱালীৰ মাতৃ সবিতাই স্বামীৰ অমনোযোগিতাত পৰিয়াললৈ নামি অহা অভাৱনীয় অৰ্থসংকট আঁতৰাবলৈ অৰুণাচলৰ বমডিলা স্কুল আৰু পাছলৈ ইটানগৰৰ নাহৰলগনত আৰু পিছলৈ গুৱাহাটীৰ ডি-এ-ভি স্কুলত কম দৰমহাত অতি কষ্টকৰ শিক্ষকতা-জীৱন অতিবাহিত কৰিছিল। পিছলৈ সাংবাদিকতাৰ আদিপাঠ

গ্ৰহণ কৰি বি বি চিৰ অসমৰ অনাতাঁৰ সাংবাদিক হিচাপে দীৰ্ঘদিন ধৰি কাৰ্যনিৰ্বাহ কৰাৰ লগতে গোস্বামীয়ে 'দ্য উইক', 'ব্লিট্জ', 'দি ডেইলী' আদি ৰাষ্ট্ৰীয় আলোচনীত কাম কৰিছিল আৰু এ এফ পি, এ পি আদি আন্তঃৰাষ্ট্ৰীয় সংবাদ সংস্থাৰ লগত জড়িত আছিল। তেওঁৰ পতিয়ে প্ৰকাশ কৰিবলৈ আৰম্ভ কৰা 'দ্য নৰ্থ-ইষ্ট টাইম্ছ' আৰু 'ৰাজধানী বাতৰি' শীৰ্ষক সাপ্তাহিক বাতৰিৰ তেওঁ মূল দায়িত্ব পালন কৰিছিল। সাংবাদিকৰ কোনো সপক্ষ-বিপক্ষ নাই। সেয়েহে মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ 'জনক্ৰান্তি' নামৰ কাকততো তেওঁ সংবাদ যোগান ধৰিছিল। সাম্প্ৰতিক সময়ৰ দৰে সাংবাদিকৰ বাবে ইলেক্টনিক যন্ত্ৰপাতি আৰু যাতায়াত-যোগাযোগৰ সা-সুবিধা নথকা অৱস্থাতে সবিতা গোস্বামীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ চুকে-কোণে, হাবিয়ে-বননিয়ে, পৰ্বতে-পাহাৰে ঘূৰি-পকি সংগ্ৰহ কৰিছিল বিচিত্ৰ সংবাদ। প্ৰাকৃতিক প্ৰতিকূলতা, যাতায়াতৰ সমস্যা, বিভিন্ন পক্ষৰ ভাবুকি তথা বিভিন্ন ন্যস্তস্বাৰ্থৰ পৰা সম্ভাব্য বিপদৰ সংশয়, ঘৰত নিঃসংগ দুই কন্যা, লগতে অতিকৈ গুৰুত্বপূৰ্ণভাৱে—নাৰী হোৱাৰ বাবে ভুগিব লগা অতিৰিক্ত ৰিস্ক আৰু বিভিন্ন পক্ষৰ উদাসীনতাঃ এই ধৰণৰ হেজাৰটা আপদ-সংশয়েৰে পৰিপূৰ্ণ তেওঁৰ ঘটনাবহুল সাংবাদিক জীৱন। সাংবাদিকতাৰ মাধ্যমেৰে তেওঁ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এছোৱা দীঘলীয়া সময়ৰ সমাজজীৱন আৰু ৰাজনৈতিক জীৱনক আত্মস্থ কৰিবলৈ সক্ষম হৈছে; সেইবাবে স্বাভাৱিকতেই সমসাময়িক সামাজিক-ৰাজনৈতিক ঘটনাৱলীৰ অন্তৰ্দৃষ্টিসম্পন্ন আৰু বিতং বৰ্ণনাই গ্ৰন্থখনৰ এক বৃহৎ অংশ অধিকাৰ কৰি আছে। অসম আন্দোলনৰ আগছোৱাৰ পৰা প্ৰায় সাম্প্ৰতিক সময়লৈকে অসমৰ সমাজজীৱনৰ উত্তপ্ত সময়ছোৱাৰ সমাজ আৰু ৰাজনীতিৰ এক ঘনিষ্ঠ পৰ্যবেক্ষক হিচাপে গোস্বামীক অভিহিত কৰিব পাৰি। অসম আন্দোলনৰ বিক্ষিপ্ত আৰু বিস্তৃত ঘটনাৰাজি, বিভিন্ন দলৰ চৰকাৰৰ অহা-যোৱা আৰু কাৰ্য-কলাপ, উগ্ৰপন্থী সমস্যাৰ উদ্ভৱ আৰু বিভিন্ন পৰ্যায়, ভাৰত তথা কেন্দ্ৰৰ সৈতে অসমৰ সম্পৰ্ক আদি বিভিন্ন সংঘটন আৰু বিষয় তেওঁ নিচেই ওচৰৰ পৰা জীৱন্ত ৰূপত প্ৰত্যক্ষ কৰিবলৈ পাইছিল আৰু তেওঁৰ নিৰাৱেগ-যুক্তিনিষ্ঠ দৃষ্টি-ভংগীয়ে সমসাময়িক ঘটনাৰ প্ৰকৃত তাৎপৰ্য অনুধাৱন কৰাত সহায় কৰিছিল।

উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যসমূহৰ জনজীৱন, ৰাজনীতি, বিশেষকৈ সন্ত্ৰাসবাদৰ উত্থানৰ সবিতা গোস্বামী হ'ল এক সূক্ষ্ম পৰ্যবেক্ষক। চুলিৰ আগত জীউ লৈ, কত ভাবুকি সত্ত্বেও কাৰো সৈতে আপোচ নকৰি তেওঁ সাংবাদিক জীৱনটোৰ প্ৰথমৰ পৰা শেষলৈকে সাহসেৰে চলাই নিছিল। এই যাত্ৰাপথত তেওঁ ঈৰ্ষণীয়ভাৱে বিস্তৰ অভিজ্ঞতা আহৰণৰ লগতে সন্মুখীন হৈছিল বহুজনৰ চাৰিত্ৰিক সংকীৰ্ণতা-সীমাবদ্ধতা-ভণ্ডামিৰ ; কিন্তু নিজৰ মাজত থকা প্ৰচণ্ড সাহসেৰে তেওঁ এই সকলোবোৰকে জীৱন-পথৰ প্ৰেৰণালৈ ৰূপান্তৰিত কৰি গ্ৰহণ কৰিছিল। এই দীৰ্ঘদিনীয়া সংগ্ৰামৰ পাছতো জীৱনৰ বিয়লি বেলাত তেওঁ উপলব্ধি কৰিছে সাংবাদিকতাৰ চৰম ট্ৰেজেডিটো—

> "আৰু সাংবাদিকতা ? মোৰ জীৱন-সংগ্ৰামৰ মূল আহিলা আছিল। মোৰ বাবে তীব্ৰ আকৰ্ষণ হৈ উঠিছিল। উভতি চাই বিস্মিত হওঁ যে আমি কৰা বৃত্তিগত প্ৰচেষ্টাই সমাজ, চৰকাৰ আৰু ৰাজনীতিকৰ দৃষ্টিভংগীত কোনো প্ৰভাৱ পেলাব পাৰিলে জানোঁ আমাৰ বাতৰি, প্ৰতিবেদনসমূহ মাথোঁ পাৰ হৈ যোৱা কিছু ঘটনা-প্ৰৱাহ হৈ ৰৈ গ'ল। কাৰো মানসিকতাত কোনো প্ৰভাৱ নেপেলালেনেহু এনে অনুভূতিয়ে মনটো অৱসাদেৰে ভৰাই তোলে।"[১৮]



**উপসংহাৰ**

একোখন সফল আত্মজীৱনীত বাংময় হৈ উঠে তদানীন্তন কালৰ সময়, সমাজ আৰু ব্যক্তিগত জীৱনাদৰ্শ। সবিতা গোস্বামীৰ 'মন গংগাৰ তীৰত' পঢ়ি উঠাৰ পাছত এই কথা স্পষ্ট হৈ পৰে যে, ব্যক্তিগত জীৱনটোৰ বিচিত্ৰ কথা অতি কৌশলেৰে আগ বঢ়াই নিয়াৰ মাজতে আত্মজীৱনীকাৰে তেওঁৰ জীৱনকালৰ সিংহভাগ সময়ত স্ব-চক্ষুৰে দেখা পোৱা সমাজ জীৱনক নিৰপেক্ষভাৱে বিচাৰ-বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছে। বিংশ শতিকাৰ সত্তৰ-আশী দশকতে এগৰাকী নাৰী হিচাপে নহয়, এগৰাকী ব্যক্তি হিচাপে কোনো ক্ষেত্ৰতেই পৰিস্থিতিৰ স'তে আপোচ নকৰি এগৰাকী নিৰ্ভীক সাংবাদিকৰূপে আত্ম প্ৰতিষ্ঠা কৰাটো সবিতা গোস্বামীৰ জীৱনৰ আটাইতকৈ উল্লেখযোগ্য দিশ। কাহিনীবিন্যাসৰ ভাষাত ক'তো আউল নলগা উপন্যাসোপম আত্মজীৱনীখন সেয়েহে উচ্চ পৰ্যায়ৰ সাহিত্যলৈ উন্নীত হৈছে বুলি নিঃসন্দেহে ক'ব পাৰি। কেৱল সেয়েই নহয়, এগৰাকী সাহসী নাৰীৰ জীৱন-কাহিনী হিচাপে এই আত্মজীৱনীখনক সময়, সমাজ আৰু নাৰীৰ আত্মানুসন্ধানৰ ইতিহাস বুলি ক'লেও বঢ়াই কোৱা নহ'ব।

**মুখ্য সমল**

১। গোস্বামী, সবিতা ঃ *মন গংগাৰ তীৰত*। প্ৰথম প্ৰকাশ ঃ ২০০৯, অন্বেষা প্ৰকাশন, গুৱাহাটী।

**পাদটীকা**

১। গোস্বামী, সবিতা ঃ *মন গংগাৰ তীৰত* , পৃ ঃ ১০৩-১০৪
২।পূৰ্বোক্ত, পৃ ঃ ১৪৪
৩।পূৰ্বোক্ত, পৃ ঃ ১৬২
৪।পূৰ্বোক্ত, পৃ ঃ ১৬৭
৫।পূৰ্বোক্ত, পৃ ঃ ১৩১
৬।পূৰ্বোক্ত, পৃ ঃ ৬
৭।পূৰ্বোক্ত, পৃ ঃ ৬
৮।পূৰ্বোক্ত, পৃ ঃ ১
৯।পূৰ্বোক্ত, পৃ ঃ ১৮
১০।পূৰ্বোক্ত, পৃ ঃ ২০৫
১১।পূৰ্বোক্ত, পৃ ঃ ২৩১
১২।পূৰ্বোক্ত, পৃ ঃ ২৩৪
১৩।পূৰ্বোক্ত, পৃ ঃ ২৩৪
১৪।পূৰ্বোক্ত, পৃ ঃ৫৩
১৫।পূৰ্বোক্ত, পৃ ঃ ৫৩
১৬।পূৰ্বোক্ত, পৃ ঃ ০.৯
১৭।পূৰ্বোক্ত, পৃ ঃ ১৮১
১৮।পূৰ্বোক্ত, পৃ ঃ ২৩৪